অসম বিধান সভা

তৰা চিহ্নীত প্ৰশ্ন নং : ৩

উত্তৰ দিবলগীয়া তাৰিখ : ০৬/০৭/২০২৬

বিষয় : **অসম মালাৰ ২.০ অধীনত নিৰ্মিত ডিগবৈ, পেঙেৰী, মহং হৈ অসম অৰুণাচল সীমান্তৱৰ্তী বৰডুমচা সংযোগী পথ নিম্নমানত নিৰ্মিত সম্পৰ্কে।**

বিধায়ক : শ্ৰী সুৰেণ ফুকন :

মাননীয় লোক নিৰ্মাণ (পথ) বিভাগৰ মন্ত্ৰী মহাদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ডিগবৈ সমষ্টিত অসম মালা ২.০ অধীনত ব্ৰহ্মাজান, পেঙেৰী আৰু ডিগবৈ অংশৰ ২০ কিলোমিটাৰ পথচোৰাৰ বাবে ১৩৩ কোটি টকা আৱণ্টন দিয়াৰ পিছতো অতি নিম্ন মানদণ্ডৰে নিৰ্মাণ কৰা বুলি চৰকাৰ অৱগত নে ? যদি অৱগত, চৰকাৰে তদন্তৰ ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰিছে? (বিতংভাৱে জনাব)

(খ) এই ঠিকাদাৰ প্ৰতিষ্ঠানৰ গাড়ীৰে দূৰ্ঘটনা কৰি দুজনকৈ মানুহ মৃত্যুমুখত পৰাৰ লগতে বিভাগীয় নীতি নিৰ্দেশনাক অমান্য কৰি অতি নিম্ন মানৰ কামেৰে চৰকাৰী ধনৰ অপব্যৱহাৰ কৰা দুই ঠিকাদাৰ ক্ৰমে মতলেবুদ্দিন আহমেদ আৰু ভাস্কৰ গোস্বামী আৰু তেওঁলোকৰ মালিকনাধীন ঠিকাদাৰী প্ৰতিস্থান পি.বি.পি.এলৰ বিৰুদ্ধে কিবা বিভাগীয় ব্যৱস্থা গ্ৰহণ কৰিব নেকি? (বিতংভাবে জনাব)।

::উত্তৰ::

**মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মহোদয়ে উত্তৰ দিব :**

ক) ডিগবৈ সমষ্টিত অসম মালা ২.০ আঁচনিৰ অধীনত নিৰ্মীয়মান ব্ৰহ্মাজান, পেঙেৰী আৰু ডিগবৈ পথৰ মানদণ্ড সম্পৰ্কে উত্থাপিত অভিযোগৰ পৰিপ্ৰেক্ষিতত লোক নিৰ্মাণ বিভাগৰ পত্ৰ নং : ইচি.এফ.নং-৫৫৪৭০৬/১৮১ তাৰিখ-৫/০৬/২০২৬ অনুসৰি বিভাগীয় পৰিদৰ্শনৰ নিৰ্দেশ দিয়া হৈছে ।

উক্ত আদেশ অনুসৰি বিভাগৰ তিনিজন জোষ্ঠ অভিযন্তাই ১৫-০৬-২০২৬ তাৰিখে উক্ত ৰাস্তাটো পৰিদৰ্শন কৰি বিভাগৰ উৰ্দ্ধতন কৰ্তৃপক্ষলৈ প্ৰতিবেদন দাখিল কৰিছে । এই প্ৰতিবেদন খন পৰ্য্যবেক্ষণ কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব ।

(খ) বিভাগীয় তদন্ত আৰু পৰ্যবেক্ষণৰ প্ৰতিবেদনৰ ভিত্তিত যদি কোনো ব্যক্তি বা ঠিকাদাৰী প্ৰতিষ্ঠানে নিম্নমানৰ কাম, গাফিলতি বা চুক্তিৰ চৰ্তৰ উলংঘনৰ প্ৰমাণিত হলে, তেন্তে বিভাগৰ নীতি নিৰ্দেশনা অনুসৰি উপযুক্ত আৰু কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হব ।

(The Reply uploaded in the Portal)

----xxx----